মই আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক সুধিলোঁ, ইয়াৰ কাৰণটো কি যে, হায়েজ (মাহেকীয়া) অৱস্থাত থকা নাৰীসকলে ৰোজাৰ কাজা কৰিব লাগে আৰু নামাজ কাজা কৰিব নালাগে?

মুআজাৰ সূত্ৰত বৰ্ণিত, তেওঁ কৈছেঃ মই আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক সুধিলোঁ, ইয়াৰ কাৰণটো কি যে, হায়েজ (মাহেকীয়া) অৱস্থাত থকা নাৰীসকলে ৰোজাৰ কাজা কৰিব লাগে আৰু নামাজ কাজা কৰিব নালাগে? তেওঁ ক'লেঃ তুমি হাৰুৰিয়্যা নেকি (অৰ্থাৎ খাৰিজি নেকি)? মই ক'লোঁ, নহয়, মই হাৰুৰিয়্যা নহয়। কিন্তু মই সুধিছোঁহে। তেওঁ ক'লেঃ শুনা! (নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ যুগত) আমাৰ যেতিয়া মাহেকীয়া হৈছিল, তেতিয়া আমাক কেৱল ৰোজা কাজা কৰাৰ নিৰ্দেশ দিয়া হৈছিল, নামাজ কাজা পালন কৰাৰ নিৰ্দেশ দিয়া হোৱা
নাছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

মুআজা আল-আদাৱিয়্যা নামক এজনী নাৰীয়ে উম্মুল মুমিনীন আঈশ্বা ৰাদ্বিয়াল্লাহু আনহাক প্ৰশ্ন কৰিলে যে, মাহেকীয়া অৱস্থাত থকা নাৰীসকলে ৰোজাৰ কাজা পালন কৰে কিন্তু নামাজৰ কাজা কিয় পালন নকৰে? তেতিয়া তেওঁ উত্তৰত ক'লেঃ তুমি খাৰিজি হাৰূৰিয়্যা নেকি, যিসকল হঠকাৰী স্বভাৱৰ হয় তথা কঠোৰতা অৱলম্বন কৰিবলৈ অত্যাধিক প্ৰশ্ন কৰে? মই ক'লোঁ, মইতো হাৰূৰিয়্যা নহয়। মই কেৱল এটা প্ৰশ্নহে কৰিছোঁ। তেতিয়া তেওঁ উত্তৰত ক'লেঃ আমি নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ জামানাত যেতিয়া মাহেকীয়া অৱস্থাত থাকিছিলোঁ, তেতিয়া আমাক কেৱল ৰোজা কাজা কৰাৰ নিৰ্দেশ দিয়া হৈছিল, নামাজৰ কাজাৰ নিৰ্দেশ দিয়া হোৱা নাছিল।

http://sunnah.global/hadeeth/as/show/3449